# সফলতাৰ কাহিনী

| | | |
|---|---|---|
| কৃষকৰ নাম | ঃ | শ্ৰীমনেশ্বৰ বৰা |
| ঠিকনা | ঃ | গাওঁ - নাওজান, সৰুপথাৰ<br>ধনশিৰী মহকুমা, গোলাঘাট জিলা |
| গাওঁ পঃ কৃঃ সঃ কৰ্মীৰ এলেকা | ঃ | নাওজান |
| কৃষি উঃ বিষয়াৰ চক্ৰ | ঃ | সৰুপথাৰ |

**কৃষকৰ পৰিচয় ঃ** শ্ৰীমনেশ্বৰ বৰাই নাগালেণ্ডত শিক্ষকতা কৰিছিল। কিন্তু পিছলৈ তেখেতে খেতিৰ প্ৰতি আকৰ্ষিত হৈ শিক্ষকৰ চাকৰি বাদ দি দহ জন সদস্যৰে 'সংকট মোচন' নামেৰে এটি আত্মসহায়ক গোট গঠন কৰে। আৰম্ভণিতে তেখেতসকলে দহ বিঘা মাটিত জহাভোল, উন্নত জাতৰ এহেজাৰ জোপা অমৃতসাগৰ কল, ছবিঘা মাটিত তামোলৰ খেতি কৰাৰ উপৰিও পোন্ধৰটা বাকচ মৌ পালন, এহোজাৰ পোৱালিৰে মুৰ্গী ফাৰ্ম, জিলা মীন বিষয়াৰ যোগেদি মাছৰ পোণা আহৰণ কৰি তিনিটা পুখুৰীত বৈজ্ঞানিক পদ্ধতিৰে মৎস্যপালন, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ যোগেদি পোৱা গাহৰিৰ পোৱালি আহৰণ কৰি গাহৰি পালন কৰি বছৰি প্ৰায় সাত লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেখেতেসকলৰ কৰ্মত সন্তুষ্ট হৈ গ্ৰামোন্নয়ন বিবাগে ২.২৫ লাখ টকাৰ এখন ভেন্ গাড়ী বয়বস্তু সৰবৰাহ কৰিবৰ বাবে আগবঢ়াইছে। গোলাঘাট জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়ে প্ৰযুক্তিৰ অভিযান আঁচনিৰ অধীনত ১১২.৫ বিঘা মাটিত কলখেতি কৰিবৰ বাবে সংকট মোচনৰ গোটলৈ ৩.১৬ লাখ টকা ৰাজসাহায্য আগবঢ়াইছে। সংকট মোচন গোটৰ বিভিন্ন কৃষি পদ্ধতিত উন্নতিসাধন কৰা দেখি গোলাঘাট জিলাখনৰ অন্য অঞ্চলৰ আত্মসহায়ক গোটবিলাকেও অনুপ্ৰাণিত হৈ বিভিন্ন উৎপাদনমুখী কৃষি কাৰ্য্যসূচী হাতত লৈ জীৱিকা নিৰ্বাহৰ স্থায়ী ব্যৱস্থা কৰিছে।

(উৎস ঃ জিলা কৃষি বিষয়া, গোলাঘাট জিলা)